**EDU-RC-2016**

**Psychology of Adolescents**

**Unit -4**

## কৈশোৰ কালৰ ব্যক্তিত্বৰ পৰিবৰ্তন

মনোবৈজ্ঞানিক আৰু শিক্ষাৰ সৰ্বোচ্চ দিশটোৱে হল ব্যক্তিত্ব । মনোবৈজ্ঞানিক আৰু শিক্ষাৰ সকলোবোৰ জ্ঞানেই ব্যক্তিত্বৰ বোধক্ষমতা আৰু বিকাশৰ লগত সম্বন্ধ যুক্ত।

ব্যক্তিত্ব শব্দটোৰ ইংৰাজী প্ৰতিশব্দ **'personality'** লেটিন ভাষাৰ **'persona'** শব্দৰ পৰা উৎপত্তি হৈছে যাৰ অৰ্থ হল **মুখা** বা **mask**। এজন মানুহে সমাজৰ আন মানুহৰ আগত যি ৰূপত ধৰা দিয়ে সেয়াই সেই মানুহজনৰ ব্যক্তিত্ব। ব্যক্তিত্ব হল ব্যক্তিৰ আভ্যন্তৰীণ গুণ আৰু বাহ্যিক প্ৰকাশৰ এক সমষ্টি । প্ৰত্যেকৰে ই হল এক স্বকীয় সত্তা আৰু বংশগতি আৰু পৰিবেশৰ উপাদানসমূহৰ সংমিশ্ৰণত ই গঢ় লৈ উঠে। ব্যক্তিৰ যি স্বাভাৱিক লক্ষণ আছে আৰু যিবোৰ আচৰণৰ মাজেদি তাক প্ৰকাশ কৰে,সেয়াই হল ব্যক্তিত্বৰ মূল উপাদান।

ব্যক্তিত্বৰ পৰিবৰ্তন হৈছে এজন ব্যক্তিৰ শাৰীৰিক ,মানসিক বৈশিষ্ট্য , আশা- আকাংক্ষা ,আচৰণ ,জীৱন দৰ্শন, হেপাহ, ৰুচি - অভিৰুচি, প্ৰৱণতা, অভ্যাস, বৌদ্ধিক সামৰ্থ আদিৰ এক জটিল সংমিশ্ৰণ । ব্যক্তিৰ জৈৱিক বংশগতিৰ লগত সামাজিক পৰিবেশৰ আদান প্ৰদানৰ ফলস্বৰূপে ব্যক্তিত্ব গঢ় লৈ উঠে। ই এক বিমূৰ্ত ধাৰণা। ব্যক্তিৰ দৈহিক প্ৰয়োজন আৰু সামাজিক পৰিস্থিতিৰ মাজত হোৱা আদান প্ৰদান বা সমাযোজন প্ৰক্ৰিয়াকে ব্যক্তিত্ব বুলিব পাৰি।

ব্যক্তিত্ব বিকাশ সম্পৰ্কে **উড ৱৰ্থ ৰ** দৃষ্টিভংগী: *"ব্যক্তিত্ব হল এজন ব্যক্তিৰ আচৰণৰ সৰ্বমুঠ গুণৰাশি অধ্যয়ন। ই কেৱল শাৰীৰিক, আৱেগিক আচৰণ আৰু বৌদ্ধিক দিশ কে অন্তৰ্ভুক্ত নকৰে, ইইঁতৰ সাংগঠনিক আৰ্হি য়েও ব্যক্তিত্বৰ গঠনত সহায় কৰে।"*

## কৈশোৰ কালৰ ব্যক্তিত্ব বিকাশৰ কেতবো ৰ বৈশিষ্ট

কৈশোৰ কালত ব্যক্তিৰ জীৱনৰ সকলোবোৰ দিশৰ পৰিবৰ্তন হোৱা দেখা যায়। কৈশোৰ কালত ব্যক্তিয়ে নিজস্ব সত্তা বিকশাই তোলে। কিশোৰ - কিশোৰীয়ে মাক দেউতাকৰ পৰা নিজক পৃথক কৰি নিজৰ ব্যক্তিত্ব বিকাশ কৰে। কিশোৰ কিশোৰীয়ে সাধাৰণতে ঘৰৰ বাহিৰত সমনীয়া বন্ধুৰ লগত অধিক সময় অতিবাহিত কৰে আৰু তেওঁলোকৰ পিতৃ - মাতৃৰ **ওপৰত** থকা মনো - দৈহিক নিৰ্ভৰ্শীলতা কমি আহে। এই সময়ছোৱাত কিশোৰ কিশোৰীৰ ব্যক্তিত্বৰ বিকাশে চৰম অৱস্থা লাভ কৰে। সমনীয়া বন্ধুৰ লগত বহুত সময় অতিবাহিত কৰা বাবে তেওঁ লোকৰ ব্যক্তিত্বত সমনীয়া বন্ধুৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়।

কৈশোৰ কালৰ ব্যক্তিত্ব বিকাশৰ কেতবোৰ বৈশিষ্ট তলত উল্লেখ কৰা হল –

**১/ আত্মসত্তা ৰ ধাৰণা --** কৈশোৰ কালত লৰা - ছোৱালীৰ ব্যক্তিত্বৰ বিকাশৰ বিষয়ে আলোচনা কৰোতে আত্মসত্তাৰ ধাৰণা এক বিচাৰ্য বিষয় । বিকশিত মনোবৈজ্ঞানীসকলৰ মতে আত্মধৰণা বিমূৰ্ত হয় আৰু বিকশিত হয় । কিশোৰ - কিশোৰী সকলে নিজে কি সেই বিষয়ে অধিক প্ৰতিফলিত কৰিব পাৰে আৰু শিশুতকৈ তেওঁলোকৰ আত্মধাৰণা অধিক গুণগত।

**২/ আত্ম মৰ্য্যদা --** আত্নসত্তা ধাৰণাৰ সৈতে আত্মমৰ্য্যদা গভীৰভাৱে সম্পৰ্কযুক্ত। এই কালছোৱাত কিশোৰ - কিশোৰী সকলে নিজৰ বিষয়ে শুদ্ধ মূল্যায়ন কৰিব পাৰে। সাধাৰণভাৱে কবলৈ গলে আত্মমৰ্য্যদাই মই কিমান ভালৰ উত্তৰ প্ৰদান কৰে। কিশোৰ - কিশোৰী সকলে সামাজিক পৰিবেশত সুস্থ ভাৱে নিজকে সমাযোজিত কৰিবৰ বাবে উচ্চ আত্ম মৰ্য্যদা অতি প্ৰয়োজনীয়। বন্ধু আৰু পৰিয়ালৰ লোকৰ লগত থকা মৰম চেনেহৰ বান্ধোনৰ যোগে কিশোৰ কিশোৰী যে আত্ম মৰ্য্যদা বিকাশ কৰি তোলে।

**৩/ সুস্থ সমাযোজন --** কিশোৰ কিশোৰী সকলে ব্যক্তিত্বৰ বিকাশ তেওঁলোকৰ সুস্থ সমাযোজনৰ দ্বাৰাও জানিব পাৰি৷ পৰিবৰ্তিত সামাজিক পৰিবেশত কিশোৰ কিশোৰী সকলে নিজকে সুস্থ ভাৱে সমাযোজিত কৰিব পাৰে। ই কিশোৰ কিশোৰী সকলক আগুৱাই যোৱাত সহায় কৰে।

## কৈশোৰ কালছোৱাত হোৱা ব্যক্তিত্ব ৰ পৰিবৰ্তন ৰ কাৰণ সমূহ

কৈশোৰ কালচোৱাক ভৱিষ্যত প্ৰাপ্তয়স্ক জীৱনৰ বাবে প্ৰস্তুতিৰ সময় বুলিব পাৰি। এই সময়ছোৱাত দৈহিক আৰু যৌন বিষয়ক বিকাশৰ লগে লগে সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত স্বাধীনতা, নিজস্ব পৰিচয় দাঙি তোলা, কৌশল আয়ত্ব আৰু বিমূৰ্ত বিষয় বস্তুৰ বিষয়ে ধাৰণা গঢ় লৈ উঠে। কৈশোৰ কালছোৱাত হোৱা ব্যক্তিত্বৰ পৰিবৰ্তনৰ কাৰণ সমূহ হল

**১/ সামাজিক গ্ৰহণ যোগ্যতা--** কিশোৰ কিশোৰীয়ে এই সময়ছোৱাত ঘৰৰ বাহিৰত সমনীয়াৰ লগত অধিক সময় কটাবলগীয়া হয়। সেয়েহে সমনীয়াৰ দ্বাৰা বাবুকৈয়ে প্ৰভাবিত হয়। বয়:সন্ধি কালৰ আৰম্ভণীতে কিশোৰ কিশোৰী যে নিজৰ ভাল বেয়া গুণ সমন্ধে সচেতন হৈ পৰে। নিজৰ গুণ সমূহ সমনীয়াৰ লগত তুলনা কৰিবলৈ লয়। এই সময়ছোৱাত সমাজত নিজৰ ভাৱমূৰ্তি উজ্জ্বল কৰিবলৈ ভাল অভ্যাস যেনে পুথি অধ্যয়ন, লিখা আদি কৰিবলৈ বিচাৰে। অৰ্থাৎ সমাজৰ দ্বাৰা গ্ৰহণযোগ্য কামবোৰ কৰিবলৈ উৎসাহী হয়।

**২ / মোহনীয় ব্যক্তিত্ব--** বয়স বৃদ্ধি হোৱাৰ লগে লগে কিশোৰ কিশোৰীয়ে মোহনীয় ব্যক্তিত্বৰ প্ৰতি আকৰ্ষিত হৈ পৰে৷ প্ৰশংসনীয় গুণসমূহ সমাজ বা স্থল ভেদে বেলেগ বেলেগ হয়।

**৩/ আদৰ্শ ব্যক্তিত্ব --** এই সময়ছোৱাত দলৰ দ্বাৰা নিৰ্ধাৰিত আদৰ্শ সমূহকে আদৰ্শ ব্যক্তিৰ ভেটি হিচাপে গ্ৰহণ কৰে। কিছু সংখ্যক এই আদৰ্শ অনুযায়ী ব্যক্তিত্ব গঠন কৰি তোলাৰ বিপৰীতে যিসকলে এনে আদৰ্শ মানিবলৈ অপাৰগ হয় তেওঁলোকৰ ব্যক্তিত্বৰ পৰিবৰ্তন সাধন হয়।

**৪/ বয়স বৃদ্ধিৰ লগে লগে ব্যক্তিত্বৰ পৰিবৰ্তন --** বাল্যকালত হোৱা ব্যক্তিত্বই এক স্থিতৱস্তা লাভ কৰে। পিছৰ অৱস্থাত বয়স বৃদ্ধিৰ লগে লগে ইয়াৰ কিছু সংশোধন হয় আৰু ব্যক্তিত্বৰ পৰিবৰ্তন সাধিত হয়।

**৫ / পৰিবেশৰ প্ৰভাৱ --** কৈশোৰ কালত হোৱা ব্যক্তিত্বৰ পৰিবৰ্তন পৰিবেশে এক গুৰুতত্বপূৰ্ন ভূমিকা পালন কৰে। ঘৰুৱা পৰিবেশৰ পৰা দূৰৈত বিদ্যালয় বা মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ যোৱা অথবা কৰ্মস্থানলৈ যাবলগীয়া হলে পৰিবৰ্তিত পৰিবেশত স্বাভাৱিকতে ব্যক্তিত্বৰ পৰিবৰ্তন হয়।

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হৈ পৰে যে বহুতো কাৰণত কৈশোৰ কালত আত্ম সত্তাৰ ধাৰণা সলনি হয়। ইয়াৰ বেছিভাগ কাৰণ বল্যকাল ৰ সৈতে একে হয়। আকৌ কৈশোৰ কালত হোৱা দৈহিক আৰু মনোবৈজ্ঞানিক পৰিবৰ্তনৰ ফলত ও ব্যক্তিত্বৰ পৰিবৰ্তন ঘটে

## ব্যক্তিত্ব পৰিবৰ্তনত ঘৰ খনৰ প্ৰভাৱ

ব্যক্তিত্ব নিৰ্ধাৰণৰ প্ৰভাৱ স্বৰূপে ঘৰ খনৰ প্ৰভাৱেই হৈছে সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰধান ।ইয়াৰ প্ৰভাৱে ব্যক্তিৰ সমগ্ৰ জীৱনজুৰি আগুৰি থাকে। বিকাশৰ সকলো দিশক ই সামৰি লৈ ব্যক্তিত্ব ক সামগ্ৰিক ৰূপত প্ৰভাবিত কৰি তোলে। ইয়াৰ বিস্তৃত বিশ্লেষণ এই স্থানত দাঙি ধৰাটো সম্ভৱ নহয়। মাথো সংক্ষেপে উল্লেখ কৰি কব পাৰি যে ব্যক্তিত্বৰ গঠনকাৰী স্বৰূপে আৱেগিক জীৱনৰ সুস্থ অসুস্থ প্ৰভাৱ, আৱেগিক নিৰাপত্তা ,আৰু স্বত:স্ফুৰ্ততা আদি গৃহ পৰিবেশে নিৰ্ধাৰণ কৰে। ব্যক্তিত্ব গঠনৰ বাবে প্ৰয়োজন হোৱা নৈতিক আৰু আধ্যাত্মিক অনুভূতি , সৌন্দৰ্য্য চেতনা , আনুগত্য আৰু অনুশাসনৰ মনোভাৱ গঢ়ে। সামাজিক জীৱনৰ মূল্যবোধ , সমাজৰ আস্থা নিষ্ঠা, ধৰ্ম ,ভাষা আদি উপাদানেৰে আমাৰ এক সামাজিক ব্যক্তিত্ব গৃহ পৰিবেশে গঢ় দি তোলে। ব্যক্তিৰ শিক্ষা অভিজ্ঞতা, বৃত্তি - ব্যৱসায়ৰ আগ্ৰহ আৰু ৰুচিবোধ ,মনোভাৱ , মূল্যবোধ , জীৱশৈলী আৰু জীৱনদৰ্শন আদিয়েও গৃহ পৰিবেশতে আমাৰ ব্যক্তিত্ব স্থাপন কৰি তোলে

---

(সহায় লৈ - *শিক্ষাৰ মনোবিজ্ঞান ভিত্তিক অধ্যয়ন* : যতীন বৰুৱা, *বিকশিত মনোবিজ্ঞান* : ড° গায়ত্ৰী গোস্বামী, ড° ৰুণুমী দেৱী, ড° উৎপল কলিতা )